প্রশ্ন: নিৰাপওা বুলিলে কি বুজা। নিৰাপওাৰ পৰম্পৰাগত আৰু অপৰম্পৰাগত ধাৰণাৰ বিষয়ে আলোচনা কৰা।

উওৰ: নিৰাপত্তা মানে এক অৱস্থাক বুজায় য'ত পৰিৱেশ, সমাজ আৰু মানুহ অস্তিত্বৰ লগত জড়িত হৈ থকা প্ৰমূল্যসমূহক সুৰক্ষিত হৈ ৰয় ।

মানুহৰ নিৰাপত্তা বুলিলে আমি দুই প্ৰকাৰৰ নিৰাপত্তাৰ বিষয় উল্লেখ কৰিব পৰা যায় । সেয়া হ'ল–

(ক) <u>নিৰাপত্তাৰ পৰম্পৰাগত ধাৰণাঃ</u>

নিৰাপত্তাৰ পৰম্পৰাগত ধাৰণা বিশেষকৈ দুটা দিশৰ ওপৰত নিৰ্ভৰ কৰে যিয়ে সাধাৰণতে 'ৰাষ্ট্ৰক্ষেত্ৰীয় নিৰাপত্তাক সূচায় । ইয়াৰে প্ৰথমটো হ'ল– বহিঃনিৰাপত্তা । বহিঃনিৰাপত্তাই ইয়াকে সূচায় যে কোনো বহিঃশক্তিৰ পৰা যাতে মানুহৰ জীৱনৰ নিৰাপত্তাৰ ক্ষেত্ৰত কোনো ভাবুকি নাহে অৰ্থাৎ তেনে ভাবুকিৰ পৰা নিৰাপত্তা প্ৰাপ্ত হয় । দ্বিতীয়টো হ'ল– আভ্যন্তৰীণ নিৰাপত্তা । আভ্যন্তৰীণ নিৰাপত্তাই ইয়াকে সূচায় যে এখন দেশৰ আভ্যন্তৰীণ ক্ষেত্ৰ বিশেষকৈ সন্ত্ৰাসবাদৰ সমস্যা, জাতিগত বিৰোধ, মানৱ অধিকাৰ উলংঘণ আদিৰ পৰা যাতে মানুহে নিৰাপত্তা লাভ কৰে । লগতে, পৰম্পৰাগত নিৰাপত্তা বুলিলে ৰাষ্ট্ৰৰ/জাতীয় নিৰাপত্তা আৰু সামৰিক নিৰাপত্তাক বুজা যায় ।

(খ) <u>নিৰাপত্তাৰ অপৰম্পৰাগত ধাৰণাঃ</u>

অপৰম্পৰাগত নিৰাপত্তাই ৰাষ্ট্ৰ বা জাতি আৰু সামৰিক নিৰাপত্তাৰ পৰিৱৰ্তে 'জন–নিৰাপত্তা' (Human Security) আৰু 'বিশ্ব নিৰাপত্তা' ক সূচায় । জননিৰাপত্তাই মানৱীয় মৰ্যদা সুৰক্ষা, ভয় বা ত্ৰাসৰ পৰা মুক্তি, অভাৱৰ পৰা মুক্তি, অধিকাৰসমূহৰ সুৰক্ষা আদিৰ নিৰাপত্তা প্ৰদান কৰাক বুজায় । বিশ্ব নিৰাপত্তাই ভূ–মণ্ডলৰ উষ্ণতা বৃদ্ধি, আন্তৰ্জাতিক সন্ত্ৰাসবাদ, স্বাস্থ্য মহামাৰী বেমাৰসমূহ, পক্ষীৰোগে সৃষ্টি কৰা মহামাৰী, বিশ্ব দৰিদ্ৰতা, প্ৰবজন, বিশ্বজুৰি সন্ত্ৰাসবাদ আদিৰ পৰা মানুহৰ নিৰাপত্তা প্ৰদান কৰাক সূচায় ।